
न्याय विभाग
Department of Justice
भारत सरकार
Government of India

# সংবিধান দিৱস আৰু নাগৰিকৰ কৰ্তব্য
# ২৬ নৱেম্বৰ, ২০১৯-২৬ নৱেম্বৰ, ২০২০



“সংবিধানক যদি কেৱল চৰকাৰে অনুসৰণ কৰা এখন দলিল হিচাপেহে গ্ৰহণ কৰা হয়, তেন্তে গণতন্ত্ৰ ক্ষতিগ্ৰস্ত হ'ব, সেয়েহে ইয়াৰ মূলৰ সৈতে সংপৃক্ত হোৱাৰ প্ৰয়োজন আছে৷”


নৰেন্দ্ৰ মোদী,
প্ৰধানমন্ত্ৰী

## ভাৰতৰ সংবিধান

- ভাৰতৰ সংবিধান হৈছে আইনৰ বুনিয়াদ, ইয়াৰ ভেটিতে আমাৰ দেশৰ প্ৰাথমিক ৰাজনৈতিক গাঁথনি প্ৰতিষ্ঠা হৈছে৷ ই এখন সংসদীয় গণতন্ত্ৰৰ লগতে যুক্তৰাষ্ট্ৰীয় আৰ্হিৰে গণৰাজ্য প্ৰতিষ্ঠা কৰিছে৷
- ভাৰতৰ সংবিধানে আমাৰ সংবিধান-প্ৰণেতাসকলৰ দৃষ্টিভংগী আৰু প্ৰমূল্যবোধক সংকলিত কৰিছে৷ তেওঁলোকৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক বিচাৰ, বিশ্বাস আৰু ইচ্ছাশক্তি তথা চিন্তাধাৰাকো প্ৰতিনিধিত্ব কৰিছে এই সংবিধানে৷
- সংবিধানখনে ভাৰত গণৰাজ্যৰ মূল-অংগ কাৰ্যপালিকা, বিধানমণ্ডল আৰু ন্যায়পালিকাৰ সংজ্ঞা নিৰূপণ কৰাৰ লগতে ইয়াৰ ক্ষমতা আৰু দায়িত্বৱলীৰ সীমা নিৰ্দ্ধাৰণ কৰিছে৷
- ভাৰতীয় সংবিধানৰ মুল বৈশিষ্ট্যসমূহ হ'ল
  - সংসদীয় পদ্ধতিৰ চৰকাৰ
  - যুক্তৰাষ্ট্ৰীয় আৰ্হি
  - ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ
  - স্বতন্ত্ৰ ন্যায়পালিকা
  - মৌলিক অধিকাৰ আৰু কৰ্তব্য
  - ৰাজ্য পৰিচালনাৰ নিৰ্দেশাত্মক নীতি
  - নাগৰিকত্ব
  - প্ৰাপ্তবয়স্কৰ ভোটাধিকাৰ
- ভাৰতীয় সংবিধান হৈছে বিশ্বৰ দীৰ্ঘতম আৰু সবাতোকৈ বিস্তৃতভাৱে লিপিবদ্ধ সংবিধান, আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন, আয়াৰলেণ্ড আৰু ৰাছিয়াৰ সংবিধানৰ অনুপ্ৰেৰণাৰে এই সংবিধান ৰচিত হৈছে৷
- সংবিধানখনত ৩৯৫টা অনুচ্ছেদ, ২২টা অধ্যায় আৰু ১২টা অনুসূচী আছে৷

“যদি সৰল ভাষাত সংবিধানৰ বাখ্যা দিবলগীয়া হয় তেন্তে মই ক'ম, আমাৰ সংবিধানে ভাৰতীয়সকলৰ মৰ্যাদা আৰু ভাৰতৰ একতা এই দুই মূলমন্ত্ৰক বাস্তবায়িত কৰিছে৷”

নৰেন্দ্ৰ মোদী,
প্ৰধানমন্ত্ৰী




ইংৰাজীত ভাৰতীয় সংবিধানৰ কেলিগ্ৰাফিক প্ৰতিলিপিৰ কভাৰ পৃষ্ঠা

The original manuscript of the Constitution was written on parchment sheets measuring 16x22 Inches which have a lifespan of a thousand years. The finished manuscript consisted of 251 pages and weighed 3.75kgs

# সংবিধান সভা আৰু সংবিধানৰ পৰিকাঠামো

১৯৪৬ আৰু ১৯৪৯চনৰ মাজভাগত এখন সংবিধান সভা (১৯৪৬চনৰ কেবিনেট মিছন প্লেনৰ অধীনত গঠিত)ৰ দ্বাৰা ভাৰতীয় সংবিধানৰ খচৰা প্ৰস্তুত কৰা হৈছিল৷ ড০ ৰাজেন্দ্ৰ প্ৰসাদে এই সভাৰ সভাপতিৰ দায়িত্ব পালন কৰিছিল৷

২৯৯গৰাকী সদস্যৰে (১৫গৰাকী মহিলাসহ) গঠিত সভাই ৩ বছৰত(১৯৪৬-১৯৪৯)কৈ অলপ কম সময়ত সংবিধানখনৰ খচৰা প্ৰস্তুত কৰিছিল৷

১৯৪৬চনৰ ডিচেম্বৰৰ পৰা ১৯৪৯চনৰ নৱেম্বৰলৈকে সংবিধান সভাৰ ১১খন বৈঠক অনুষ্ঠিত হৈছিল।

১৯৪৭ চনৰ ২৯ আগষ্টত সংবিধান সভাই সংবিধানৰ খচৰা প্ৰস্তুত কৰাৰ বাবে ড০ বি. আৰ. আম্বেদকাৰৰ অধ্যক্ষতাত এখন খচৰা সমিতি গঠন কৰিছিল৷



সংবিধান সভাৰ অধিৱেশন, ডিচেম্বৰ ১৯৪৬

“সন্মানীয় বাবা চাহেব আম্বেদকাৰজীৰ নেতৃত্বত ভাৰতে এখন অন্তৰ্ভূক্তিমূলক সংবিধানৰ খচৰা প্ৰস্তুত কৰিছিল। সকলোকে সামৰি লোৱা সংবিধানখন যেন নতুন ভাৰত গঢ়াৰ বাবে লোৱা সংকল্পৰ অগ্ৰদূত হৈ উঠিল। ই আমাক কেতবোৰ দায়িত্ব অৰ্পণ কৰাৰ লগতে আমাৰ সীমাবদ্ধতাকো সোঁৱৰাই দিছিল।”

নৰেন্দ্ৰ মোদী,
প্ৰধানমন্ত্ৰী

“সংবিধান কেৱল অধিবক্তাৰ দলিল নহয়, ই জীৱনৰ বাহক, আৰু যুগৰ সত্যই হ'ল ইয়াৰ আত্মা৷”

ড০ বি. আৰ. আম্বেদকাৰ



ডঃ বি আৰ আম্বেদকাৰৰ প'ট্ৰেইট



Members of the Central Cabinet, signing the Constituton of India. Rajkumari Amrit Kaur, Dr. John Mathai and Sardar Vallabhbhai Patel are seen in the picture.

ভাৰতৰ সংবিধানখন ১৯৪৯ চনৰ ২৬ নৱেম্বৰত গ্ৰহণ কৰা হৈছিল৷ ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা আনুষ্ঠানিক ভাৱে বলবত্ হৈছিল সংবিধানখন৷ ১৯৫২চনত নতুন সংসদ গঠন নোহোৱালৈকে ভাৰতৰ প্ৰাদেশিক সংসদ হিচাপে সেইদিনাই সংবিধান সভাক স্বীকৃতি প্ৰদান কৰা হৈছিল৷সংবিধানৰ খচৰাক লৈ সভাই আলোচনা কৰাৰ সময়ত মুঠ ৭,৬৩৫ টা সংশোধনী প্ৰস্তাৱ উত্থাপন কৰা হৈছিল আৰু ইয়াৰে ২,৪৭৩ টা প্ৰস্তাৱৰ আলোচনা আৰু নিষ্পত্তি কৰা হৈছিল৷

২৯৯গৰাকী সদস্যৰ ভিতৰত প্ৰকৃততে ২৮৪গৰাকী সদস্যইহে সংবিধানখনত স্বাক্ষৰ দান কৰিছিল৷

সংবিধান যুগুতোৱাৰ সময়ত বিভিন্ন কাম সম্পাদন কৰিব পৰাকৈ সংবিধান সভাই সৰ্বমুঠ ১৩খন সমিতিক দায়িত্বভাৰ অৰ্পণ কৰিছিল৷ এইবোৰৰ ভিতৰত ৮খন প্ৰধান সমিতি আৰু বাকীবোৰ ক্ষুদ্ৰ সমিতি আছিল

সংবিধান সভাৰ ৮খন প্ৰধান সমিতিৰ নাম

- খচৰা সমিতি
- কেন্দ্ৰীয় ক্ষমতা সমিতি
- কেন্দ্ৰীয় সংবিধান সমিতি
- প্ৰাদেশিক সংবিধান সমিতি
- মৌলিক অধিকাৰ, সংখ্যালঘু আৰু জনজাতি আৰু বাদ পৰা এলেকা সম্পৰ্কীয় উপদেষ্টা সমিতি
- বিধি-নিয়ম প্ৰণয়ন সমিতি
- ৰাজ্যিক সমিতি
- মূল পৰিচালনা সমিতি



১৯৫০ চনৰ ২৪ জানুৱাৰীত অনুষ্ঠিত সংবিধান সভাৰ চূড়ান্ত অধিৱেশনত চৰ্দাৰ বল্লভভাই পেটেল।

সংবিধান সভাই গ্ৰহণ কৰা সিদ্ধান্তসমূহঃ
ক) ১৯৪৭চনৰ ২২ জুলাইত ৰাষ্ট্ৰীয় পতাকা
খ) ১৯৫০চনৰ ২৪ জানুৱাৰীত ৰাষ্ট্ৰীয় সংগীত আৰু জাতীয় গীত

Sh. Nand Lal Bose, a pioneer of modern Indian Art, designed the borders of every page of the Constitution and adorned it with art pieces.

Sh. Prem Behari Narain Raizada, a master of calligraphic art, singlehandedly handwrote the Constitution. It took him 6 months to complete the task and



Group photograph of the constituent members 1950

## সংবিধান সভাত অন্তৰ্ভূক্ত বিশিষ্ট সদস্যসকলৰ একাংশ

কেবিনেট মিছনৰ পৰামৰ্শক্ৰমে প্ৰাদেশিক বিধানসভাই পৰোক্ষ নিৰ্বাচনৰ জৰিয়তে সংবিধান সভাৰ সদস্যবৃন্দক বাছনি কৰিছিল৷ সভাত ২৯৯গৰাকী সদস্য আছিল, ইয়াৰে ২২৯গৰাকীয়ে প্ৰাদেশিক প্ৰতিনিধি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ বিপৰীতে ৭০গৰাকীয়ে ৰাজ্যিক প্ৰতিনিধিৰ ভূমিকা পালন কৰিছিল৷

সংবিধান সভাত অন্তৰ্ভূক্ত বিশিষ্ট সদস্যসকলৰ একাংশ

ড০ ৰাজেন্দ্ৰ প্ৰসাদ
চৰ্দাৰ বল্লভভাই পেটেল
জৱাহৰলাল নেহৰু
ড০ বি. আৰ. আম্বেদকাৰ
গোৱিন্দ বল্লভ পন্ত
মৌলানা আবুল কালাম আজাদ
সৰোজিনী নাইডু
ৰাজকুমাৰী আমৃত কৌৰ
জে. বি. কৃপালিনী
চি. ৰাজাগোপালাচাৰী
শৰত্ চন্দ্ৰ বসু

আশ্ৰফ আলী
শ্যামা প্ৰসাদ মুখাৰ্জী
হংস মেহতা
গোপীনাথ বৰদলৈ
হৰেন্দ্ৰ কুমাৰ মুখাৰ্জী
বিনোদানন্দ ঝা
দুৰ্গাবাই দেশমুখ
ফ্ৰাংক এন্থনী
জয়পাল সিং মুণ্ডা
হৰগোৱিন্দ পন্ত
জন মাথাই

বেগম আজিজ ৰছুল
কে. এম. মুন্সি
সৰ্বপল্লী ৰাধাকৃষ্ণণ
আম্মু স্বামীনাধন
এম. অনন্তশয়নম আয়েংগাৰ
আল্লাড়ী কৃষ্ণস্বামী আয়াৰ
বি. পট্টাভী সীতাৰামাইয়া
টি. প্ৰকাশম
এ. সঞ্জীৱ ৰেড্ডি
এছ. নিজালিংগপ্পা
জি. ভি. মাৱালংকাৰ

পদমপাট সিংঘানিয়া
পুৰুষোত্তমদাস টেণ্ডন
সুচেতা কৃপালিনী
হছৰট মোহানি
ৰফি আহমদ কিড়ৱাই
অনুগ্ৰহনাৰায়ণ সিন্হা
জগজীৱন ৰাম
সচ্চিদানন্দ সিন্হা
সত্যনাৰায়ণ সিন্হা
শ্ৰী কৃষ্ণ সিনহা
সেঠ গোৱিন্দ দাস

হৰি সিং গৌড়
পঞ্জাৰৰাও এছ. দেশমুখ
ৰবি শংকৰ শুক্লা
হৰেকৃষ্ণ মহাতৱ
এনী মাছকাৰেনি
জীৱৰাজ নাৰায়ণ মেহতা
মটুৰী সত্যনাৰায়ণ
দীপ নাৰায়ণ সিং
ছাৰ ছৈয়দ মহম্মদ ছাদ্দুলা
কে. কামাৰাজ
পি. ছুব্বাৰায়াণ

I beg to move, Sir,

"That it be resolved that:

(1) After the last stroke of midnight, all members of the Constituent Assembly present on this occasion do take the following pledge:

'At this solemn moment when the people of India, through suffering and sacrifice, have secured freedom, I, .............. a member of the Constituent Assembly of India, do dedicate myself in all humility to the service of India and her people to the end that this ancient land attain her rightful place in the world and make her full and willing contribution to the promotion of world peace and the welfare of mankind.'

(2) Members who are not present on this occasion do take the pledge (with such verbal changes as the President may prescribe) at the time they next attend a session of the Assembly."

সংবিধান সভাৰ সদস্যসকলৰ শপত গ্ৰহণ

# নাগৰিক আৰু মৌলিক কৰ্তব্যসমূহ

আমাৰ সংবিধানৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য



> “ অধিকাৰ হ'ল সুচাৰুৰূপে পালন কৰা কৰ্তব্য ”
>
> মহাত্মা গান্ধী

ভাৰত চৰকাৰে সকলো ভাৰতীয়ক নাগৰিকৰ দায়িত্ব তথা মৌলিক কৰ্তব্যবোধ সম্পৰ্কে সজাগ কৰিবলৈ প্ৰয়াস কৰিছে৷ (২৬ নৱেম্বৰ ২০১৯- ২৬ নৱেম্বৰ ২০২০) #itsmyduty ত যোগদান কৰক

প্ৰধান উদ্দেশ্যসমূহ

- ইয়াৰ জৰিয়তে ভাৰতৰ নাগৰিকসকল যে সংবিধানৰ মূল্যবোধ আৰু আদৰ্শৰ প্ৰকৃত তত্বাৱধায়ক সেই কথা সোঁৱৰাই দিব বিচৰা হৈছে৷
- সকলো নাগৰিকক দেশৰ তথা আন নাগৰিকসকলৰ প্ৰতি থাকিবলগীয়া কৰ্তব্যবোধ সম্পৰ্কে সোঁৱৰাই দিব বিচৰা হৈছে৷
- নাগৰিকসকলক ৰাষ্ট্ৰীয়তাবোধৰে উদ্‌বুদ্ধ হ'বলৈ উৎসাহিত কৰা হৈছে।
- ইয়াৰ জৰিয়তে ৰাষ্ট্ৰৰ প্ৰতি নাগৰিকৰ নিয়মানুৱৰ্তিতা আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰ আভাস দিয়াৰ লগতে ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰতি তেওঁলোকৰ শক্তি আৰু উৎসাহ উজ্জীৱিত কৰিবলৈ বিচৰা হৈছে৷

## মৌলিক কৰ্তব্য-বৈশিষ্ট্য আৰু সংযোজনসমূহ

> “মই মোৰ মাতৃৰ কোলাত মোৰ কৰ্তব্যসমূহ শিকিছো। তেওঁ এগৰাকী গাঁৱৰ অশিক্ষিত মহিলা আছিল...তেওঁ মোৰ ধৰ্মৰ বিষয়ে জানিছিল। সেইবাবে মই শৈশৱৰ পৰা ধৰ্মৰ বিষয়ে শিকিছো আৰু এয়া অনুসৰণ কৰিবলৈ প্ৰয়াস কৰিছো...ইয়াৰ আটাইতকৈ সুন্দৰ কথাটো হ ল কৰ্তব্যৰ দক্ষতাই আমাৰ অধিকাৰ সুৰক্ষিত কৰে। অধিকাৰসমূহ কৰ্তব্যৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰি। এইদৰে সত্যাগ্ৰহৰ জন্ম হৈছিল, ইয়াৰ বাবে মই সদায়েই মোৰ কৰ্তব্য কি সেয়া অন্বেষণ কৰিবলৈ প্ৰয়াস কৰিছো।”
>
> ১৯৪৭চনৰ ২৮জুনত অনুষ্ঠিত হোৱা এক প্ৰাৰ্থনা সভাত মহাত্মা গান্ধীয়ে মৌলিক কৰ্তব্যসমূহৰ বিষয়ে এইদৰে আলোকপাত কৰে

আমাৰ সংবিধানত ১১ টা মৌলিক কৰ্তব্য সন্নিৱিষ্ট কৰাৰ মূলতে আছিল নাগৰিকসকলক তেওঁলোকৰ অধিকাৰসমূহ উপভোগ কৰাৰ বিপৰীতে তেওঁলোকক দায়িত্ব পালনৰ বাবে উদ্‌বুদ্ধ কৰা।

**মৌলিক কৰ্তব্যসমূহে সন্মান, গৌৰৱ, সহিষ্ণুতা, শান্তি, উন্নতি আৰু একতাৰ লক্ষ্যৰ দৰে প্ৰমূল্যসমূহ ধাৰ্য কৰিছে৷**

১৯৭৬ চনত কৰা ৪২সংখ্যক সংশোধনীৰ দ্বাৰা আমাৰ সংবিধানত সংযোজিত মৌলিক কৰ্তব্যই ৰাষ্ট্ৰৰ প্ৰতি নাগৰিকৰ মৌলিক, নৈতিক আৰু বাধ্যতামূলক কৰ্তব্যৰ নিৰ্দেশনা দিছে৷

**নাগৰিকসকলে তেওঁলোকৰ মৌলিক অধিকাৰ সাব্যস্ত কৰাৰ সময়ত যাতে নিজৰ কৰ্তব্যসমূহৰ কথা পাহৰি নাযায় সেয়া নিশ্চিত কৰিবলৈকে সংবিধানত মৌলিক কৰ্তব্যৰ শিতানটো সংযোজিত কৰা হৈছে বুলি মন্তব্য কৰিছিল এই সন্দৰ্ভত গঠন কৰা সমিতিখনে৷**

**শিশুৰ বাবে শিক্ষাৰ সুবিধা সম্পৰ্কীয় ১১সংখ্যক মৌলিক কৰ্তব্যটো সংবিধানৰ ৮৬সংখ্যক সংশোধনী,২০০২ৰ জৰিয়তে অন্তৰ্ভুক্ত কৰা হৈছিল৷**

মৌলিক কৰ্তব্যৰ অনুপ্ৰেৰণা ইউএছএছআৰ, জাপান আৰু চীনৰ সংবিধানৰ পৰা গ্ৰহণ কৰা হৈছিল৷

আমাৰ মৌলিক কৰ্তব্যসমূহ বিধিসন্মত কৰ্তব্যৰ এক সংহতি যি ভাৰতীয়সকলৰ জীৱন প্ৰণালীৰ সৈতে সংবদ্ধ৷ ই সমাজৰ প্ৰতি আমাৰ নিয়মানুৱৰ্তিতা আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰ উত্তৰণ ঘটাব।

মৌলিক কৰ্তব্যসমূহৰ জৰিয়তে প্ৰতিজন নাগৰিকক নিৰৱচ্ছিন্নভাৱে এয়া সোঁৱৰণ কৰাই থাকিব বিচৰা হৈছে যে সংবিধানে তেওঁলোকক নিৰ্দিষ্ট মৌলিক অধিকাৰ প্ৰদান কৰিলেও নাগৰিকসকলেও গণতান্ত্ৰিক আচৰণ আৰু নীতি পালন কৰা উচিত কিয়নো অধিকাৰ আৰু কৰ্তব্যসমূহ পৰস্পৰৰ সম্পূৰক৷

> “''গণতন্ত্ৰ কেৱল এক চৰকাৰৰ স্বৰূপ নহয়।...ই আমাৰ নাগৰিকসকলৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধা প্ৰদৰ্শনৰ এক মনোভাৱো।'' ”
>
> ডঃ বি. আৰ. আম্বেদকাৰ

> “''প্ৰতিজন ভাৰতীয়ই তেওঁ যে এজন ৰাজপুত, এজন শিখ অথবা এজন জাট এতিয়াৰে পৰা পাহৰি যোৱা উচিত৷ তেওঁ যে এজন ভাৰতীয় সেই কথাটোহে তেওঁ নিশ্চিতভাৱে মনত ৰখা উচিত আৰু এই দেশত কিছুমান নিশ্চিত কৰ্তব্যৰ সৈতে তেওঁ প্ৰত্যেকটো অধিকাৰ উপভোগ কৰিব পাৰিব৷'' ”
>
> চৰ্দাৰ বল্লভভাই পেটেল

নাগৰিক আৰু মৌলিক কৰ্তব্যই আমাক সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে আমাৰ ৰাষ্ট্ৰীয় লক্ষ্য প্ৰাপ্তিত সহায় কৰিব পাৰে৷

১৯৯৯ চনৰ অক্টোবৰ মাহত ন্যায়াধীশ বাৰ্মাৰ নেতৃত্বত এখন কমিটীয়ে ''দেশৰ নাগৰিকক মৌলিক কৰ্তব্যবোধৰ বিষয়ে শিক্ষাৰ পৰামৰ্শৱলী'' শীৰ্ষক এক প্ৰতিবেদন প্ৰদান কৰিছিল৷

## নাগৰিকৰ দায়িত্বসম্পৰ্কে সজাগ হওক

- ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনা অধ্যয়ন কৰক, মাই গভ ডট ইনৰ অনলাইনৰ শপত বাক্যত স্বাক্ষৰ কৰক আৰু এখন তাৎক্ষণিক স্বীকৃতিপত্ৰ লাভ কৰক
- মাই গভ ডট ইনৰ অনলাইন সংবিধান দিৱসৰ কুইজ আৰু ৰচনা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰক
- www.doj.gov.inৰ পৰা পোষ্টাৰ, ব্ৰচাৰ আৰু অন্যান্য প্ৰচাৰ সামগ্ৰী ডাউনলোড কৰক


> “মই আপোনালোকক কমেও এটা সংকল্প পালন কৰিবলৈ তথা নিজৰ কৰ্তব্য আৰু ৰাষ্ট্ৰৰ প্ৰতি নিষ্ঠা প্ৰদৰ্শন কৰিবলৈ আহ্বান জনাইছো৷ কৰ্তব্যৰ পথত অগ্ৰসৰ হোৱাৰ সময়ত ১৩০ কোটি প্ৰয়াস আৰু ১৩০ কোটি সংকল্পই দেশৰ বাবে বহু কাম কৰিব পাৰে৷'”
>
> **নৰেন্দ্ৰ মোদী,**
> **প্ৰধানমন্ত্ৰী**
> **স্বচ্ছ ভাৰত দিৱস, ২০১৯ত**

@DoJ_India আৰু @MyGov ত আমাক অনুসৰণ কৰক৷ #itsmyduty ত যোগদান কৰক

http://legislative.gov.in/constitution-of-india
ত ভাৰতৰ সংবিধান আৰু মৌলিক কৰ্তব্যসমূহৰ সম্পূৰ্ণ বিৱৰণ চাওক৷

ন্যায় বিভাগ
Department of Justice
ভাৰত সৰকাৰ
Government of India
সত্যমেৱ জয়তে

## সংবিধানত সন্নিৱিষ্ট কৰা এঘাৰটা কৰ্তব্য হ'ল (খণ্ড চাৰি-(ক), অনুচ্ছেদ ৫১ (ক))



- সংবিধান, ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতৰ প্ৰতি নিষ্ঠা প্ৰদৰ্শন কৰা।
- স্বাধীনতা সংগ্ৰামৰ আদৰ্শ সাৰোগত কৰা।
- ভাৰতৰ সাৰ্বভৌমত্ব, একতা আৰু অখণ্ডতা বৰ্তাই ৰখা।
- দেশক সুৰক্ষা প্ৰদান কৰা আৰু ৰাষ্ট্ৰীয় সেৱা আগবঢ়োৱা
- ঐক্য আৰু ভ্ৰাতৃত্ববোধৰ প্ৰদৰ্শন কৰা
- সৰ্বাঙ্গ্য সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ কৰা।
- প্ৰাকৃতিক পৰিবেশৰ সুৰক্ষা আৰু উত্তৰণ ঘটোৱা।
- বিজ্ঞানমনস্কতা, মানৱতাবোধ আদিৰ উত্তৰণ ঘটোৱা।
- ৰাজহুৱা সম্পত্তিৰ সুৰক্ষা প্ৰদান আৰু হিংসা প্ৰতিৰোধ কৰা।
- উৎকৰ্ষতাৰ অন্বেষণ কৰা।
- শিক্ষাৰ সুবিধা প্ৰদান কৰা।

আমাৰ সংবিধানত সন্নিৱিষ্ট কৰা মৌলিক কৰ্তব্যসমূহ মানৱ অধিকাৰ সম্পৰ্কীয় বিশ্ব ঘোষণাপত্ৰৰ অনুচ্ছেদ ২৯(১)ৰ আধাৰত যুগুতোৱা হৈছে

> “ আমি বিশ্ব নাগৰিকৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিলেহে জীৱনৰ প্ৰকৃত অধিকাৰ লাভ কৰিব পাৰিম। এই মৌলিক উদ্ধৃতিটোৰ জৰিয়তে বোধহয় পুৰুষ আৰু মহিলাৰ কৰ্তব্যৰ সহজ বাখ্যা দাঙি ধৰাৰ লগতে প্ৰতিটো অধিকাৰৰ সৈতে যে প্ৰথমে সমাপন কৰিবলগীয়া কিছুমান নিৰ্ধাৰিত কৰ্তব্য সমযোজিত হৈ থাকে সেই কথাও স্পষ্ট কৰি দিব পাৰি। যুঁজিয়েই সকলো অধিকাৰ হস্তগত কৰিব নোৱাৰি। ”
>
> মহাত্মা গান্ধী

### মৌলিক কৰ্তব্য আৰু অধিকাৰসমূহ একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি

মহাত্মা গান্ধীয়ে কৈছিল যে, ''কৰ্তব্যৰ উৎস হ'ল অধিকাৰ৷ যদি আমি কৰ্তব্য পালন কৰো তেন্তে অধিকাৰো আমাৰ পৰা দূৰৈত নাথাকিব৷''

নাগৰিকসকলে মৌলিক অধিকাৰ আৰু মৌলিক কৰ্তব্যসমূহৰ প্ৰতি আন্তৰিকতা প্ৰদৰ্শন নকৰা পৰ্যন্ত সমাজৰ গভীৰলৈকে গণতন্ত্ৰ প্ৰতিষ্ঠা কৰাটো সম্ভৱ নহ'ব।

প্ৰতিটো অধিকাৰৰ সৈতে নিৰ্ধাৰিত কৰ্তব্য সংযোজিত হৈ থাকে৷ এজন নাগৰিকৰ দক্ষতাই আনসকলৰ অধিকাৰ সুনিশ্চিত কৰে৷

যেতিয়া আমি আমাৰ কৰ্তব্য পালন কৰো তেতিয়া আমি আমাৰ অধিকাৰৰ দাবীদাৰ হও৷